# REGIONAL NEWS UNIT
## AKASHVANI :: GUWAHATI
0000000000

**Date : 03-05-2025**
**Time :** 21-25 Hrs

***Assamese Night Bulletin***
***::::::::::::::::::::::::::::::::***

পঞ্চায়ত নিৰ্বাচনৰ প্ৰথম পৰ্যায়ত কালি হৈ যোৱা ভোটগ্ৰহণৰ সময়ত বিভিন্ন বিক্ষিপ্ত ঘটনা বা অন্যান্য কাৰণত ভোটগ্ৰহণত ব্যাঘাত জন্মা ৪৩টা ভোটকেন্দ্ৰত কাইলৈ পুনৰ ভোটগ্ৰহণ কৰা হ'ব। সেই অনুসৰি হাইলাকান্দি জিলাৰ ৩১টা, শ্ৰীভূমিত ৮টা, গোলাঘাট আৰু মাজুলীত এটাকৈ ভোটকেন্দ্ৰত কাইলৈ পুৱা চাৰে ৭ বজাৰ পৰা বিয়লি চাৰে ৪ বজালৈ ভোটগ্ৰহণ কৰা হ'ব।

০০০০

জাপানৰ নিম্ন সদন হাউছ অৰ ৰিপ্ৰেজেণ্টেটিভছৰ অধ্যক্ষ নুকাগা ফুকুশ্বিৰ সৈতে দেশখনৰ এটা ৫৫ জনীয়া প্ৰতিনিধি দল আজি ৩ দিনীয়া ভ্ৰমণসূচীৰে অসমত উপস্থিত হয়। বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰী, মন্ত্ৰী নন্দিতা গাৰ্লোচা আৰু মুখ্য সচিব ড০  ৰবি কোটাই লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তৰ্ৰাষ্ট্ৰীয় বিমান বন্দৰত দলটোক আদৰণি জনায়। দলটোক বিমান বন্দৰৰ পৰা পোনে পোনে অসম বিধানসভা ভৰনলৈ আহে। বিধানসভাত জাপানৰ প্ৰতিনিধিৰ দলটো ৰাজ্যপাল, মুখ্যমন্ত্ৰী আৰু অসম বিধানসভাৰ অধ্যক্ষৰ সৈতে বৈঠকত মিলিত হয়। জাপানৰ এই প্ৰতিনিধি দলটোৰ সন্মানাৰ্থে বিধানসভাৰ চৌহদতে সাংস্কৃতিক অনুষ্ঠান তথা নৈশ ভোজৰো আয়োজন কৰা হৈছে। দলটোৱে কাইলৈ গুৱাহাটী আই আই টি আৰু জাগীৰোডত নিৰ্মীয়মান ছেমিকণ্ডাক্টৰ প্ৰকল্পস্থলী পৰিদৰ্শন কৰিব। দলটোৱে স্বাস্থ্য, শিক্ষা, মানৱ সম্পদ সন্দৰ্ভত মুখ্যমন্ত্ৰী তথা বিধানসভাৰ অধ্যক্ষৰ সৈতে আলোচনাত মিলিত হ'ব। অসমত বিভিন্ন ক্ষেত্ৰত বিনিয়োগ সন্দৰ্ভতো আলোচনা হোৱাৰ সম্ভাৱনা আছে। জাপানৰ নিম্ন সদনৰ অধ্যক্ষসহ প্ৰতিনিধিৰ দলটো ৫ মে'ত অসমৰ পৰা উভতি যাব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই নুকাগা ফুকুছিৰোৰ নেতৃত্বত অসমলৈ অহা জাপানৰ প্ৰতিনিধি দলটোক সামাজিক মাধ্যমযোগে আদৰণি জনোৱাৰ লগতে প্ৰতিনিধিৰ দলটোৰ এই ভ্ৰমণে জাপানৰ সৈতে অসমৰ সহযোগিতাৰ বান্ধোন সুদৃঢ় কৰিব বুলি আশা প্ৰকাশ কৰিছে।

০০০০

অসমত আবৃত্তিৰ ধাৰা শীৰ্ষক শৃংখলাৰ আকাশবাণীৰ দ্বিতীয়টো দৃষ্টিপাত অনুষ্ঠানত আজি কেইবাগৰাকীও আবৃত্তিকাৰে আবৃত্তিক বিদ্যায়তনিক দিশত তথা পৰিবেশ্য কলা হিচাপে প্ৰতিষ্ঠা কৰাৰ বাবে গ্ৰহণ কৰা পদক্ষেপ সম্পৰ্কে আলোকপাত কৰে। অনুষ্ঠানত বিশিষ্ট আবৃত্তিকাৰ, শিক্ষাবিদ ড° অমৰজ্যোতি চৌধুৰী, ভট্টদেৱ বিশ্ববিদ্যালয়ৰ অধ্যাপিকা ড° বিনীতা বৰা দেৱচৌধুৰী আৰু বিশিষ্টা আবৃত্তিকাৰ জুলিয়ানা বেগমে আবৃত্তিয়ে কিদৰে ধ্ৰুপদী অসমীয়া ভাষাৰ মৰ্যাদা অক্ষুন্ন ৰাখিব সেই বিষয়ে প্ৰকাশ কৰে। অনুষ্ঠানত ড০ অমৰজ্যোতি চৌধুৰীয়ে ৰাজ্যখনত চলি থকা আবৃত্তিৰ বিভিন্ন পাঠ্যক্ৰমসমূহ একত্ৰিত হ'লে চৰকাৰৰ দ্বাৰা স্বীকৃতি লাভ কৰাৰ ক্ষেত্ৰত সহায় হব পাৰে বুলি আশা প্ৰকাশ কৰে। অধ্যাপিকা ড০ দেৱচৌধুৰীয়ে ভট্টদেৱ বিশ্ববিদ্যালয়ত আবৃত্তি পদ্ধতিগত শিক্ষাৰূপে এখন ঐচ্ছিক কাকত প্ৰৱৰ্তনৰ কথা উল্লেখ কৰে। ছাত্ৰ-ছাত্ৰীৰ সঁহাৰি কম হোৱাৰ বাবে দুবছৰ এই পাঠ্যক্ৰম বন্ধ ৰখা হৈছে যদিও পৰৱৰ্তী সময়ত দক্ষতা বিকাশৰ পাঠ্যক্ৰমৰূপে নতুন ৰূপত ইয়াক অন্তৰ্ভুক্ত কৰা হ'ব বুলি তেঁও জানিবলৈ দিয়ে। তেওঁ কয় যে বিদ্যায়তনিক আৰু পৰিবেশ্য কলা উভয় দিশতে আবৃত্তিয়ে বিশেষ গুৰুত্ব বহন কৰে। আবৃত্তিকাৰ জুলিয়ানা বেগমে অসমীয়া কবিতা আবৃত্তিৰ দ্বাৰা ৰাজ্যখনৰ প্ৰতিটো শিশুক অসমীয়া মাত কথা শুদ্ধকৈ শিকাব পৰা যাব বুলি আশা প্ৰকাশ কৰে।

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে কাইলৈ সন্ধিয়া ৭ বাজি ৪৫ মিনিটত এটা বিশেষ সংবাদ চলন্তিকা প্ৰচাৰ কৰিব। এই অনুষ্ঠানত মুম্বাইত অনুষ্ঠিত ৱেভছ ২০২৫ সন্মিলনত অংশগ্ৰহণ কৰা অসমৰ কেইবাগৰাকীও প্ৰতিনিধিয়ে তেওঁলোকৰ মন্তব্য আগবঢ়াব।

এই দুয়োটা অনুষ্ঠানৰ পৰিকল্পনা, উপস্থাপন আৰু প্ৰযোজনা আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰববী ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০

কেন্দ্ৰীয় চৰকাৰৰ ক্ষুদ্ৰ, লঘু আৰু মজলীয়া উদ্যোগ বিভাগে ২০২৪ বৰ্ষৰ ৩৫টা ৰাষ্ট্ৰীয় বঁটাৰ বাবে আবেদন আহ্বান কৰিছে। মন্ত্ৰালয়ৰ সূত্ৰই এই বিষয়ে প্ৰকাশ কৰি ইচ্ছুক সকলক আবেদন জনাবলৈ আহ্বান জনাইছে। নিৰ্মাণ খণ্ডত ১২টা আৰু সেৱা খণ্ডত ৯টা পুৰস্কাৰ প্ৰদান কৰা হ'ব। তদুপৰি মহিলা উদ্যোগী, অনুসূচীত জাতি আৰু অনুসূচীত জনজাতিৰ অন্তৰ্ভুক্ত উদ্যোগী, দিব্যাংগ তথা উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ বাবে বিশেষ বঁটাৰ ব্যৱস্থা থাকিব। প্ৰথম পুৰস্কাৰ হিচাপে ৩ লাখ টকা, দ্বিতীয় পুৰস্কাৰ দুই লাখ আৰু তৃতীয় পুৰস্কাৰ এক লাখ টকাকৈ প্ৰদান কৰা হ'ব।

০০০০

সদৌ ডিব্ৰুগড়ৰ ছাত্ৰ সন্থাই সাহিত্যিক নগেন শইকীয়া আৰু অভিনেতা বিষ্ণু খাৰঘৰীয়াক **ডিব্ৰু** সন্মানেৰে সন্মানিত কৰে। জিলা ছাত্ৰ সন্থাই অসমীয়া নৱবৰ্ষৰ সৈতে সংগতি ৰাখি ডিব্ৰুগড়ৰ চৌকিডিঙি খেলপথাৰত আয়োজন কৰা কেন্দ্ৰীয় ৰঙালী উৎসৱত প্ৰতি বছৰে ৰাজ্যৰ দুজন বিশেষ ব্যক্তিক **ডিব্ৰু** সন্মান প্ৰদান কৰি আহিছে। এই বৰ্ষৰ অনুষ্ঠানত দুয়োগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকিব নোৱাৰা বাবে আজি

ডিব্ৰুগড় ছাত্ৰ সন্থাৰ লগতে কেন্দ্ৰীয় ৰঙালী উৎসৱ উদযাপন সমিতিৰ এটা প্ৰতিনিধি দলে সাহিত্যিক নগেন শইকীয়া আৰু অভিনেতা বিষ্ণু খাৰঘৰীয়াৰ বাসগৃহত উপস্থিত হৈ এই সন্মান প্ৰদান কৰে।

০০০০

আই পি এল টি টুৱেণ্টি ক্ৰিকেট প্ৰতিযোগিতাত বেংগালুৰুৰ এম চিন্নাস্বামী ষ্টেডিয়ামত এখন খেলত ৰয়েল ছেলেঞ্জাৰ্ছ বেংগালুৰুৱে চেন্নাই ছুপাৰ কিংছক জয়ৰ বাবে ২১৪ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। বেংগালুৰুৱে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৫ টা উইকেট হেৰুৱাই ২১৩ ৰাণ সংগ্ৰহ কৰে।

০০০০

সমাপ্ত